# অসম বিধান সভা

**তৰা বিহিন প্ৰশ্ন নং** : **২৯৬**
**বিষয়** : প্ৰত্নতাত্ত্বিক স্থানৰ খনন কাৰ্য্য সম্পৰ্কে
**বিধায়কৰ নাম** : শ্ৰী ঋষিৰাজ হাজৰিকা
**উত্তৰ দিয়া তাৰিখ** : **১৩/০৭/২০২৬**

## প্ৰশ্ন

মাননীয় খিলঞ্জীয়া ও জনজাতি বিশ্বাস ও সংস্কৃতি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

**(ক)** লক্ষিমপুৰ জিলাৰ ৭৪ নং ৰঙানদী বিধানসভা সমষ্টিৰ ফুলবাৰী সগৰপুৰ ডাকঘৰৰ অন্তৰ্গত ভিতৰিপামত অৱস্থিত প্ৰত্নতাত্ত্বিক স্থানত খনন কাৰ্য্য পুনৰ কেতিয়া আৰম্ভ কৰাৰ পৰিকল্পনা বিভাগৰ আছে?

**(খ)** খনন কাৰ্য্য স্থগিত হোৱাৰ পিছত ইতিমধ্যে উদ্ধাৰ হোৱাৰ প্ৰত্নতাত্ত্বিক নিদৰ্শনসমূহৰ সংৰক্ষণ, সুৰক্ষা আৰু গৱেষণাৰ বাবে বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**(গ)** উক্ত স্থানত খনন কাৰ্য্য সম্পূৰ্ণ কৰা আৰু বৈজ্ঞানিক অনুসন্ধান আগবঢ়োৱাৰ বাবে বিভাগে কোনো বিশেষ পৰিকল্পনা প্ৰস্তুত কৰিছে নে, অথবা কোনো ধন আৱণ্টন কৰা হৈছে নে?

**(ঘ)** উদ্ধাৰ হোৱা মন্দিৰৰ ভগ্নাৱশেষসমূহৰ সম্পূৰ্ণ বিস্তৃতি, বয়স সাংস্কৃতিক তাৎপৰ্য নিৰ্ধাৰণৰ বাবে বিভাগে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**(ঙ)** উক্ত প্ৰত্নতাত্ত্বিক স্থানৰ খনন কাৰ্য্য সম্পূৰ্ণ কৰি ইয়াৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কীয় চূড়ান্ত প্ৰতিবেদন বিভাগে কেতিয়ালৈ দাখিল কৰাৰ সম্ভাৱনা আছে? জনাব।

## উত্তৰ

মাননীয় খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস ও সংস্কৃতি বিভাগৰ মন্ত্ৰী শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব :

**(ক)** আগন্তুক ২০২৬-২৭ বিত্তীয় বৰ্ষত লক্ষীমপুৰ জিলাৰ ৭৪ নং ৰঙানদী বিধানসভা সমষ্টিৰ অন্তৰ্গত চিলনীবাৰী মৌজাৰ ৩৪৫ নং গ্ৰাণ্টৰ ভিতৰিপাম গাঁৱত অৱস্থিত প্ৰত্নতাত্ত্বিক স্থানত পুনৰ খনন কাৰ্য আৰম্ভ কৰাৰ পৰিকল্পনা সদ্যহতে এই বিভাগৰ নাই ।

**(খ)** উক্ত প্ৰত্নতাত্ত্বিক স্থানত গুৱাহাটী সমমণ্ডলৰ ভাৰতীয় পুৰাতাত্ত্বিক জৰীপ বিভাগে ২০১৫-১৬ বৰ্ষত আংশিকভাৱে খনন কাৰ্য সম্পন্ন কৰিছিল। খনন কাৰ্য্য স্থগিত হোৱাৰ পিছত স্থানীয় ৰাইজে উক্ত স্থানত এখন অস্থায়ী ছাউনিৰ ব্যৱস্থা কৰি উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সম্পদসমূহ ৰখাৰ ব্যৱস্থা কৰে।

পৰৱৰ্তী সময়ত, ইং ২০২১ চনৰ ছেপ্তেম্বৰ মাহত লক্ষীমপুৰ জিলা প্ৰশাসনে চিলনীবাৰী গ্ৰাণ্টৰ ৩৪৫ নং গ্ৰাণ্টৰ ৭৭ নং দাগৰ ২ (দুই) বিঘা মাটি এই বিভাগৰ অধীনস্থ অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ক হস্তান্তৰ কৰে আৰু উক্ত স্থানক অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ সংৰক্ষিত স্মাৰকৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়। জিলা প্ৰশাসনে হস্তান্তৰ কৰা ২ (দুই) বিঘা মাটিত বৰ্তমান দুটা পৰিয়ালে বসবাস কৰি থকাৰ ফলত উক্ত স্থানত প্ৰত্নতাত্ত্বিক খনন, সংৰক্ষণ আৰু সামগ্ৰিক বিকাশমূলক কাৰ্যসমূহ যথাযথভাৱে আগবঢ়োৱা সম্ভৱ হোৱা নাই। সেয়েহে, উক্ত মাটিখিনি বেদখলমুক্ত কৰাৰ উদ্দেশ্যে লক্ষীমপুৰ জিলা প্ৰশাসনৰ সৈতে এই বিভাগে ইতিমধ্যে প্ৰয়োজনীয় যোগাযোগ অব্যাহত ৰাখিছে।

**(গ)** উক্ত প্ৰত্নতাত্ত্বিক স্থানত ২০২৬-২৭ বিত্তীয় বৰ্ষত খনন কাৰ্য্য অথবা কোনো ধৰণৰ বৈজ্ঞানিক অনুসন্ধান চলোৱাৰ কোনো পৰিকল্পনা এই বিভাগৰ তৰফৰ পৰা গ্ৰহণ কৰা হোৱা নাই। তদুপৰি, এনে কাৰ্য্যৰ বাবে কোনো ধৰণৰ ধন বৰ্তমানলৈকে আৱণ্টন হোৱা নাই।

**(ঘ)** উক্ত স্থানত উদ্ধাৰ হোৱা মন্দিৰৰ ভগ্নাৱশেষসমূহৰ সম্পূৰ্ণ বিস্তৃতি, বয়স আৰু সাংস্কৃতিক তাৎপৰ্য সঠিকভাৱে নিৰ্ধাৰণ কৰাৰ বাবে উক্ত স্থানত পূৰ্ণাংগ খনন কাৰ্য্য সম্পাদন কৰাটো অত্যন্ত আৱশ্যক। সেই উদ্দেশ্যে অদূৰ ভৱিষ্যতে, বাজেটত প্ৰয়োজনীয় ধনৰাশি আৱণ্টন সাপেক্ষে এই বিভাগৰ অধীনস্থ অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ে ফুলবাৰীৰ ভিতৰিপামস্থিত প্ৰত্নতাত্ত্বিক স্থানৰ খনন কাৰ্য সম্পূৰ্ণ কৰাৰ লগতে উক্ত স্থানৰ সংৰক্ষণ, সংবৰ্ধন আৰু সামগ্ৰিক বিকাশৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব ।

**(ঙ)** বাজেটত প্ৰয়োজনীয় ধনৰাশি আৱণ্টন সাপেক্ষে, ফুলবাৰী ভিতৰিপামস্থিত প্ৰত্নতাত্ত্বিক স্থানৰ খনন কাৰ্য্য সম্পূৰ্ণ হোৱাৰ পিছতহে এই বিভাগে উক্ত স্থানৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কীয় চূড়ান্ত প্ৰতিবেদন প্ৰস্তুত কৰি দাখিল কৰিবলৈ সক্ষম হ'ব।

(উত্তৰসমুহ আৰু সংশ্লিষ্ট cms.neva.gov.in ৱেবছাইটত আপলোড কৰা হৈছে)